লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত অৰ্ধবাৰ্ষিক দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ২; সংখ্যা: ২; জানুৱাৰী-জুন, ২০২১

# বেণু মিশ্ৰৰ এখন ছবি আৰু কিছু প্ৰাসংগিক চিন্তা

✍ দিগন্ত ৰাগ

বিষণ্ণতাই ব্যক্তিত্বলৈ পৰিৱৰ্তন আনে, বিষাদগ্ৰস্ত ব্যক্তি নিৰ্লিপ্ত হৈ পৰে, তেনে ব্যক্তিৰ উৎসাহ উদ্যম নোহোৱা হয় বুলিও কোৱা হয়। কিন্তু বিষণ্ণতাক সমল কৰি লৈ কিছুসংখ্যক যুক্তিবাদীয়ে সমাজ আৰু আদৰ্শৰ প্ৰতি দায়বদ্ধতা স্বীকাৰ কৰে। তেনে এজন যুক্তিবাদী চিত্ৰকৰ আছিল বেণু মিশ্ৰ। ১২০ ছেণ্টিমিটাৰ দীঘল আৰু ৯০ ছেণ্টিমিটাৰ বহল এখন ছবি; নাম দিছিল 'ডে'থ'। তেওঁৰ ভাৱনাত প্ৰায়ে বিষণ্ণ সুৰ আছিল আৰু তেওঁৰ ছবিসমূহত সেই সুৰ প্ৰতিফলিতও হৈছিল। এই ছবিখন অসম আন্দোলনৰ ভৰপক সময়ত আৰু আন্দোলনৰ পটভূমিত অঁকা। কিন্তু মৃত্যু বিষয়ক এই ছবিখন অকল অসম আন্দোলনৰে প্ৰতীকধৰ্মী বিষয়বস্তুৰ ওপৰত আধাৰিত নহয়, ইয়াত সোমাই আছে অভিব্যঞ্জনা, প্ৰতীকধৰ্মী উপস্থাপনৰ কেইবাটাও তৰপ। মৃত্যু তেতিয়াও ঘটিছিল আৰু আজিও ঘটি আছে। কিন্তু আক্ষৰিক অৰ্থত কেৱল মানুহৰে মৃত্যু ঘটা নাই, সামাজিক অৱক্ষয়ৰ ৰূপত মৃত্যু ক্ৰমে আগুৱাই আহিছে। সাংস্কৃতিক, সাম্প্ৰদায়িক দায়বদ্ধতা, মানৱীয় অনুভূতি আৰু মানসিক স্তৰৰো এঢাপ এঢাপকৈ মৃত্যু ঘটিছে কায়িক মৃত্যুৰ লগত। তেতিয়াৰ সময়ৰ সামাজিক, ৰাজনৈতিক, আধ্যাত্মিক পৰিৱেশ আৰু আচৰণৰ লগত আজিৰ এই আটাইবোৰ দিশৰ বিশেষ পাৰ্থক্য নাই। গতিকে 'ডে'থ' ছবিখনৰ তৎকালীন প্ৰাসংগিকতাৰ অভিব্যক্তি আৰু বৰ্তমানৰ অভিব্যক্তিৰ প্ৰাসংগিকতাও প্ৰায় একে। মৃত্যু শীৰ্ষক ছবিখনত বিষণ্ণ মানুহ এগৰাকীয়ে বগা কাপোৰেৰে মেৰিয়াই থোৱা মৃতদেহ এটা কোলাত লৈ আছে; মৃতদেহটোৰ ভৰি দুখন উদং কৰি দেখুওৱা হৈছে, তদুপৰি মৃতদেহটোত বগা ৰং প্ৰয়োগ কৰাৰ বিপৰীতে ভৰি দুখনত হালধীয়া ৰঙৰ প্ৰয়োগ কৰিছে। বগা ৰঙে মৃত্যু অৰ্থাৎ শান্তি অথবা মুক্তি বুজোৱাৰ পৰিৱৰ্তে উদং হালধীয়া ৰং বুলোৱা ভৰি দুখনে মৃত্যুৰ গোপন ৰহস্য আৰু তাৰ লগত

জড়িত হৈ থকা ভয়-শংকাৰ লগতে দুখ বেদনাৰ ছবিখন অধিক প্ৰকট কৰি তুলিছে। মহিলাগৰাকীৰ সোঁফালৰ প্ৰতিকৃতিটোৱে বাওঁফালৰ হাতত ফুল লৈ থকা ইমেজ দুটাক মানৱতাবাদী চৰিত্ৰ ত্যাগ কৰি সুবিধাবাদী চৰিত্ৰৰ ৰূপ গ্ৰহণ কৰি আঁতৰি যোৱা দেখিবলৈ পোৱা গৈছে। সময় আৰু সভ্যতাৰ পৰিৱৰ্তনৰ সমান্তৰালভাৱে মানৱীয় চেতনা তথা বিচাৰধাৰাই ভিন্ন স্তৰ অতিক্ৰম কৰি ৰূঢ় কঠিন বাস্তৱৰ লগত নিজৰ সুবিধাবাদী চৰিত্ৰবোৰো প্ৰকট কৰি গৈ আছে। মৃত্যুৰ দৰে গভীৰ শোকে বৰ্তমান বিশ্বৰ বহু দেশ ডুবাই ৰখাৰ পিছতো মানুহৰ অন্তহীন লোভ, সাম্প্ৰদায়িকতাৰ নামত অৰ্থহীন বৰ্ণবিদ্বেষৰ যুঁজ, ৰাষ্ট্ৰ নায়কসকলৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ অপ্ৰতিৰোধ্য কূটকৌশল আৰু জৈৱ ৰাসায়নিক অস্ত্ৰ নিৰ্মাণৰ প্ৰতিযোগিতা, কৃত্ৰিম অভাৱ সৃষ্টি কৰি সেইবোৰ পৰিপূৰ্ণ কৰাৰ লক্ষ্যৰে উন্নয়নৰ দোহাই দি উদ্যোগ প্ৰতিষ্ঠা কৰাৰ নামত ব্যাপক অৰণ্য ধ্বংস কৰা কাৰ্যই প্ৰকৃতিক এশ এবুৰি ৰোগেৰে ভাৰাক্ৰান্ত কৰি বহুমাত্ৰিক মৃত্যুৰ ছবি নিতৌ অংকন কৰি আছে। গতিকে 'ডে'থ' ছবিখন বিমূৰ্ত অথবা জটিল নহয়; ব্যক্তি বিষণ্ণতাৰ পৰিৱৰ্তে ৰাজনৈতিক চাতুৰালিৰ বিৰুদ্ধে ব্যংগাত্মক শ্লেষ, সামাজিক অৱক্ষয় আৰু মানৱীয় মূল্যবোধৰ মৃত্যুৰ প্ৰশ্নসমূহেও আমাৰ মনত দোলা দি যায়। যিসমূহ দিশে এতিয়া ক'ৰোণাৰ ভয়াবহতাৰ আগত বিৰাট মানৱীয় শক্তিৰ তুচ্ছতাৰ ধাৰণাটো প্ৰকট কৰা ছবি সমূহ স্পষ্ট কৰি আনিছে আৰু তাৰ বিপৰীতে অন্তহীন ৰাজনৈতিক চল-চাতুৰীৰ অংকবোৰো উদঙাই দেখুৱাইছে। ৰূপক কাহিনী আৰু প্ৰতীকবাদী কবিতাৰ মাজেদি বিশ্ব সাহিত্যৰ কেইবাজনো ব্যক্তিয়ে দৃশ্যমান ঘটনাসমূহৰ আঁৰৰ অন্য কাহিনী অথবা সেই কাহিনী ৰচোঁতাসকলৰ প্ৰকৃত স্বৰূপবোৰ সচেতনভাৱে উপস্থাপন কৰে। বিশ্বখ্যাত ঔপন্যাসিক আলবে'ৰ ক্যেম্যুৰ (Albert Camus) 'লা পেষ্ট' ('প্লেগ') এখন ৰূপক বৰ্ণনামূলক উপন্যাস। 'প্লেগ' বেমাৰক প্ৰতীক হিচাপে গ্ৰহণ কৰি মানুহৰ নিজৰ কৰ্মকাণ্ডৰ ফলত সৃষ্টি হোৱা ধ্বংসলীলাৰ কৱলত পৰি ধনী -দুখীয়া, ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৱে সন্মুখীন হোৱা অসহায় ৰূপ এটা ফুটাই তুলিছে । প্লেগৰ এটা প্ৰধান চৰিত্ৰ ৰিইয়্যো'ৰ জৰিয়তে ক্যেম্যুয়ে ধৰ্ম বিশ্বাস নোহোৱাকৈয়ো সন্ত প্ৰকৃতি আহৰণ কৰিব পৰাৰ কথা উল্লেখ কৰিছে। যিহেতু সকলো প্ৰতিষ্ঠিত ধৰ্মই

মানৱীয় সত্ত্বাৰ উৰ্দ্ধত অৱস্থান কৰি আহিছে। আন এটা চৰিত্ৰ পাদ্ৰী পনলুৰো এটা সময়ত ধৰ্মীয় অতিবিশ্বাসৰ পৰিৱৰ্তে মানবীয়তাৰ ওপৰত বিশ্বাস গাঢ় হৈ পৰে। সকলো ধৰণৰ সংকীৰ্ণতাৰ পৰা মুক্ত হৈ সামূহিকভাৱে যুঁজ দি মানৱতাবাদৰ জয়গান গোৱাই এই উপন্যাসখনৰ মূল উদ্দেশ্য। ক্যেম্যুৰ ভাষাত উপন্যাসখনৰ বিষয়বস্তু আছিল প্ৰকৃততে নাৎচিবাদৰ বিৰুদ্ধে ইউৰোপীয় প্ৰতিৰোধৰ সংগ্ৰামৰ কাহিনী। আধুনিক অসমীয়া গল্প সাহিত্যৰ অন্যতম বাটকটীয়া সৌৰভ কুমাৰ চলিহাই গল্পৰ মাধ্যমেৰে মানুহে উন্নয়ন আৰু ঔদ্যোগিকীকৰণৰ নামত সৃষ্টি কৰা শব্দ প্ৰদূষণৰ প্ৰতি তিক্ত মনোভাৱ পোষণ কৰিছে আৰু পৰিবেশ সম্পৰ্কীয় সচেতনতা গঢ়ি তুলিবলৈ চেষ্টা কৰিছে। তেওঁ "আৱাজ" নামৰ গল্পটোৰ মাধ্যমেৰে শব্দ প্ৰদূষণৰ ভয়াবহতাৰ কথা উল্লেখ কৰিছে। শব্দ প্ৰদূষণে অকল যে মানুহকে নহয় অন্য জীৱ-জন্তুকো ক্ষতিগ্ৰস্ত কৰিছে সেয়া তেওঁ ১০০ ডেচিবেল শব্দৰ প্ৰভাৱত গৰ্ভৱতী এন্দুৰ এজনীৰ ভ্ৰূণ নষ্ট হৈ যোৱাৰ উদাহৰণেৰে উল্লেখ কৰিছে। তাৰোপৰি এন্দুৰ পোৱালিবোৰৰ ত্ৰস্ত চটফটনি আৰু লুটিখাই মৰি যোৱাৰ বৰ্ণনাৰে তেওঁ শব্দ প্ৰদূষণৰ নেতিবাচক দিশটো দাঙি ধৰিছে।

মানুহৰ ৰূঢ় সুবিধাবাদী জটিল চৰিত্ৰৰ বিপৰীতে প্ৰকৃতিৰ স্থিৰ, উদাৰ, স্বাৰ্থবিহীন চৰিত্ৰৰ কথা কেইবাটাও কবিতাত প্ৰকাশ কৰিছে আনিছ উজ জামানে। প্ৰতীক আৰু চিত্ৰকল্পৰ অপূৰ্ব সংযোগেৰে মানৱতাবাদৰ অপমৃত্যুৰ বিপৰীতে প্ৰকৃতি আৰু অন্য জীৱকুলৰ সাৰস্বত উদাৰতাৰ বৰ্ণনা কৰিছে তেওঁ। বহুল চৰ্চিত "অৰণ্যত জুই" নামৰ কবিতাটিৰ মাজেৰে তেওঁ প্ৰকৃতিৰ ওপৰত মানুহৰ সৰ্বনাশী আগ্ৰাসনৰ ছবি এখন অংকন কৰিছে।

"অৰণ্যত জুই জ্বলছিল
মৌ-মাখিৰ বাহটোৰ পৰা সৰি পৰিছিল
মৌ
সিহঁতে গুণগুণাই কৈছিল
মানুহবোৰ এনেকুৱাই"।

মানুহ আৰু প্ৰকৃতিৰ মাজত সৃষ্ট সংঘাত আৰু দ্বন্দ্বই কঢ়িয়াই আনিছে অপৰিমেয় বিষাদ আৰু এখন ৰোগগ্ৰস্ত পৃথিৱী আৰু মানৱ জীৱনক শূন্যতাৰে পৰিপূৰ্ণ কৰি তুলিছে। নীলিম কুমাৰৰ 'গছৰ মালিতা' আধুনিক জীৱন যাত্ৰাৰ প্ৰতি প্ৰকাশ কৰা তীব্ৰ

শ্লেষাত্মক ভাৱৰ কবিতা। জীৱশ্ৰেষ্ঠ মানুহৰ আত্মস্বাৰ্থ পূৰণৰ অৰ্থে কৰা কাৰ্যৰ ফলত সৃষ্টি হোৱা বিপন্ন প্ৰকৃতিৰ বেদনা আৰু মানুহৰ নিৰ্লিপ্ততাৰ অভিব্যঞ্জনা এই কবিতাটিত প্ৰকাশ পাইছে।

"পৌৰনিগমৰ অফিচ ঘৰটোলৈ গছ এজোপা সোমাই আহিল,

আহিয়ে মেয়ৰৰ টেবুলত মূৰ আফলিয়াই আফলিয়াই কান্দিবলৈ ধৰিলে।

সৰাপাতেৰে মেয়ৰৰ ৰূম ভৰি গ'ল। গছজোপাৰ চকুপানীৰ টোপালেৰে মেয়ৰৰ গ্লাছৰ টেবুল জিলমিলাবলৈ ধৰিলে ।"

এজোপা গছক প্ৰতীক হিচাপে লৈ ৰচিত এই কবিতাটো সাৱলীল, অৰ্থবহ আৰু সামাজিক সচেতনতাৰ প্ৰতিফলন ।

সাহিত্য, চিত্ৰকলা আদি মাধ্যমৰ মাজেৰে সাহিত্যিক, চিত্ৰকৰসকলে আমাক মানৱীয় আৰু সামাজিক অৱক্ষয়ৰ বিষয়ে সূচিত কৰিছে আৰু প্ৰকৃতি ধ্বংসৰ ফলত জীৱন যাত্ৰাৰ প্ৰতি সৃষ্টি হোৱা ভাবুকিৰ বিষয়ে গভীৰভাৱে অনুধাৱন কৰাইছে।

যদিও মানুহে আনন্দ লাভৰ উদ্দেশ্যে সাহিত্য, চিত্ৰশিল্প, সংগীত আদি কলা সমূহৰ উদ্ভাৱন কৰিছিল; তথাপিও যুদ্ধ, প্ৰতিবাদ, মহামাৰী আদি বিভিন্ন সময়ৰ সমাজৰ ভিন্ন পৰিঘটনা আৰু এইসমূহৰ কাৰকবোৰৰ প্ৰতিফলনো কলা, সাহিত্যত ঘটিছে আৰু এই সমূহক সৃষ্টিৰ সমল কৰি লৈ সত্যৰ সন্ধান কৰি অংকিত ছবি আৰু ৰচিত গীত ,কবিতা, উপন্যাস আদি ইতিহাসৰ একো একোখন মূল্যৱান দলিল ৰূপে পৰিগণিত হৈছে ।

**যোগাযোগৰ ঠিকনা**
নাৰেংগী, গুৱাহাটী-২৬
ফোন নং: ৯৮৫৪৪-৪৭৬৪৪